**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

বিগত কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২খন জিলাৰ ২লাখ ৬২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। গোলাঘাট জিলাৰ বোকাখাট ৰাজহচক্ৰৰ ৩১ খন গাঁও বাঢ়নি পানীয়ে প্লাবিত কৰিছে। কাজিৰঙা গাঁও পঞ্চায়তৰ অন্তৰ্গত তামুলি পথাৰত মথাউৰিৰ ওপৰেৰে পানী বাগৰিবলৈ আৰম্ভ কৰাত প্ৰশাসনে গাঁওবাসীক সতৰ্ক কৰি দিছে আৰু জলসম্পদ বিভাগে মথাউৰিটোত থকা তিনিখন শ্লুইছ গেট মুকলি কৰি দিছে। জিলাখনৰ ডেৰগাঁও, নুমলীগড়, কাজিৰঙা, খুমতাই আদি বিস্তৃৰ্ণ অঞ্চল বানৰ কবলত পৰাত ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ সহযোগত উদ্ধাৰ অভিযান অব্যাহত আছে। গোলাঘাট আৰক্ষী আৰু এছ ডি আৰ এফে বানাক্ৰান্ত লোক তথা জীৱ-জন্তুক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ অনাৰ বাবে তৎপৰাতে কাম কৰি আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনা অনুসৰি আজিৰেপৰা কাৰ্যকৰী হোৱাকৈ নিশাৰ ভাগত ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ব্যৱসায়িক গধূৰ বাহন আৰু ব্যক্তিগত যানবাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালকৰ লগতে গোলাঘাট জিলা আয়ুক্তই এই নিষেধাজ্ঞা জাৰি কৰিছে। অৱশ্যে প্ৰয়োজন সাপেক্ষে স্থানীয় যানবাহনৰ ক্ষেত্ৰত ৰেহাই দিয়া হ'ব বুলি নিৰ্দেশনাটোত প্ৰকাশ কৰা হৈছে।

ইপিনে, তিনিচুকীয়া জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈ আছে। জিলাখনৰ নৈ-উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত প্ৰতিদিনে ন ন অঞ্চল প্লাবিত হৈছে। দুৰ্যোগজনিত জৰুৰীকালীন সহায়ৰ বাবে জিলা প্ৰশাসনে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাকৈ কেইবাটাও দূৰভাষ নম্বৰ মুকলি কৰিছে। বাৰেকৰী আৰক্ষী থানা, গুইজান আৰক্ষী চকী, গুইজান বজাৰ, ৰঙাগৰা, নতুন গাঁও, নলনী বাগিচাৰ উপৰি ডিব্ৰু-চৌখোৱা ৰাষ্ট্ৰীয় উদ্যানো বানৰ কবলত পৰিছে। ৰাজ্যৰ শ্ৰম মন্ত্ৰী সঞ্জয় কিষানে আজি জিলাখনৰ বানাক্ৰান্ত অঞ্চলসমূহ তথা সাহায্য শিবিৰসমূহ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত ৰাইজৰ সৈতে মতবিনিময় কৰে।

উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাত কৃত্ৰিম বানৰ ফলত পৰিস্থিতি শোচনীয় হৈ পৰিছে। ডিব্ৰুগড় পৌৰ নিগমৰ ২২ টা ৱাৰ্ডৰ হাজাৰ হাজাৰ পৰিয়াল কৃত্ৰিম বানত আৱদ্ধ হৈ পৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি তথা তীব্ৰ বৰষুণৰ ফলত হোৱা কৃত্ৰিম বানৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তই সকলো বিদ্যালয় পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বন্ধ ৰখাৰ নিৰ্দেশনা জাৰি কৰিছে।

ডিব্ৰুগড়, তিনিচুকীয়া আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোন যোগে আলোচনা কৰি বানপীড়িতসকলৰ সুবিধাৰ্তে মুখ্যমন্ত্ৰী সাহায্য তথা উদ্ধাৰ অভিযান ত্বৰান্বিত কৰাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিয়াত যথাসম্ভৱ সহায় কৰাৰ আশ্বাস দিয়ে।

ইপিনে, ৰাজ্যৰ বান পৰিস্তিতিৰ পৰিপ্ৰেক্ষিতত লখিমপুৰত অনুষ্ঠিত হ'বলগীয়া জিলা আয়ুক্তৰ সন্মিলন স্থগিত ৰখা হৈছে। লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লখিমপুৰ জিলা ভ্ৰমণৰ কাৰ্যসূচীও অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে।

যোৰহাট জিলাৰ টীয়ক আৰু পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত জাজীমুখতো বানে জটিল ৰূপ ধাৰণ কৰিছে। বাঢ়নি পানীয়ে ইতিমধ্যে দুয়োটা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ২৫খন গাওঁ বুৰাই পেলোৱাৰ লগতে বহু হেক্টৰ কৃষিভূমি

প্লাবিত কৰিছে। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আজি সমষ্টিটো পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে জিলা প্ৰশাসনক এই পৰিস্থিতিৰ তাৎক্ষণিক মোকাবিলা কৰাৰ বাবে আহ্বান জনায়।

মাজুলীতো কুৰিখনতকৈও অধিক গাঁও জলমগ্ন হৈ পৰিছে। জিলা প্ৰশাসনে নিমাতি-মাজুলী সংযোগী ফেৰী সেৱা বন্ধ কৰিছে।

শিৱসাগৰ জিলাৰ দিচাং মুখৰ আলিচিগাঁও, অফলা, তিয়বস্ততি আদি গাঁও সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰাৰ বাতৰিও আমালৈ আহিছে।

আনহাতে, বাক্সা আৰু বৰপেটা জিলাত বেঁকী নদীৰ খহনীয়াই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। কলগাছিয়া ৰাজহ চক্ৰৰ অধীনৰ বলাই পথাৰ গাঁৱৰ কেইবা বিঘা কৃষিভূমি নদীৰ বুকুত জাহ যোৱা বুলি আমাৰ সংবাদাদাতই প্ৰকাশ কৰিছে।

মানস ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ চূণবাৰী, এলেঙামাৰি আদি অঞ্চলত খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। অঞ্চলটোত জলসম্পদ বিভাগৰ জৰিয়তে যোৱা বছৰ জিঅ' বেগৰ বান্ধ নিৰ্মাণ কৰিছিল যদিও ইয়াৰ ফলত খহনীয়া নিয়ন্ত্ৰণ ৰোধ কৰিব পৰা হোৱা নাই।

0000000

আজি চিকিৎসক দিৱস। এই উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তত চিকিৎসা সজাগতা শিবিৰ, আলোচনাচক্ৰ আদি অনুষ্ঠিত হৈছে। যোৰহাট আৰক্ষী প্ৰশাসনৰ উদ্যোগতো যোৰহাট ডক্টৰ্ছ ক্লাবৰ সহযোগত আজি চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। শিবিৰত জীৱনশৈলীজনিত ৰোগ যেনে উচ্চ ৰক্তচাপ, মধুমেহ, উদ্বিগ্নতা আদিৰ প্ৰতি সজাগতা আনিবলৈ চেষ্টা চলোৱাৰ লগতে আৰক্ষীসকলৰ প্ৰাথমিক স্বাস্থ্য পৰীক্ষাও কৰা হয়। যোৰহাটৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰৰ লগতে আৰক্ষী প্ৰশাসনে চিকিৎসকসকলক এই দিৱস উপলক্ষে শুভকামনা জনায় আৰু তেওঁলোকৰ কৰ্মৰাজিৰ প্ৰশংসা কৰে।

0000000

আকাশবাণী গুৱাহাটীৰ আজি ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিষ্ঠানটোৰ সৈতে জড়িত লোকসকলৰ লগতে শ্ৰোতাৰ প্ৰতিও শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত তেওঁ কয় যে ৰেডিঅ'ৰ প্ৰতি মানুহৰ আবেগ তাহানিতে যেনে আছিল, আজিও একেই আছে। প্ৰতিষ্ঠানটোৰ জন্মলগ্নৰ সৈতে জড়িত লোকসকলকো মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰে।

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আজি বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হৈছে। আলোচনাচক্ৰ উদ্বোধন কৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে কয় যে আকাশবাণী জনগণৰ কণ্ঠ হৈ আছে। বিগত সময়ৰ দৰেই আকাশবাণীয়ে নিজৰ গৰিমা অক্ষুণ্ণ ৰাখিছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ্ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিৱেশ আৰু বহনক্ষম শাখাৰ মুৰব্বী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ আৰু গুৱাহাটী এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিকে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আঁত ধৰিছে গুৱাহাটীৰ পি আই বিৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেনে নামছুয়ে। ইয়াৰ পাছতে প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া সুৰৰ শৰাই শীৰ্ষক অনুষ্ঠানত বিদ্যুৎ কুমাৰ মিশ্ৰই বেহেলা বাদনৰ লগতে মিৰাণ্ডা চৌধুৰী, পুলক বেনাৰ্জী আৰু ডলী ঘোষ সাধ্যই সংগীত পৰিৱেশন কৰিব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হ'ব।

ইফালে, প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত আজি আকাশীস্পন্দন শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ নৱম সংখ্যাটি উন্মোচন কৰা হয়। বিশিষ্ট কণ্ঠশিল্পী পাহাৰী দাসে পত্ৰিকা উন্মোচন কৰা অনুষ্ঠানটিত লেখক, অধ্যাপক কিশোৰ মোহন ভট্টাচাৰ্য, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিল্পী মণি বৰদলৈৰ লগতে কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

oooooo

**সমাপ্ত**